**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-12-2024
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

আজি বিশ্ব এইডছ্ দিৱস। ACQUIRED IMMUNO DEFICIENCY SYNDROMEৰ বিষয়ে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে আজিৰ দিনটোত এইডছ্ দিৱস পালন কৰা হয়। এই দিনটোৱে জনসাধাৰণক HIVৰ বিৰুদ্ধে যুঁজ দিবলৈ একগোট হোৱাৰ লগতে এইডছ্ সংক্ৰমিত লোকৰ প্ৰতি সমৰ্থন জনোৱাৰ সুযোগ প্ৰদান কৰে। ৰাষ্ট্ৰীয় এইডছ্ নিয়ন্ত্ৰন সংস্থাই ১৯৯২ চনৰে পৰা প্ৰতি বছৰে আজিৰ দিনটোত বিশ্ব এইডছ্ দিৱস পালন কৰি আহিছে। এইবাৰৰ এইডছ্ দিৱসত সজাগতা বৃদ্ধি, চিকিৎসা পদ্ধতি প্ৰসাৰ আৰু এইডছ্ত আক্ৰান্তসকলৰ বিৰুদ্ধে বৈষম্য দূৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। এইবাৰৰ এইডছ্ দিৱসৰ মূল বিষয়বস্তু হ'ল **শুদ্ধ পথ গ্ৰহণ কৰক**। এই উপলক্ষে আয়োজিত সজাগতামূলক শোভাযাত্ৰা আৰু সভাত স্বাস্থ্য কৰ্মীসকলৰ লগতে আশা কৰ্মীসকলেও অংশগ্ৰহণ কৰে।

ooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই খন্তেক সময় আগতে লক্ষিপুৰত মহকুমা ন্যায়িক দণ্ডধীশৰ নতুন ভৱন উদ্বোধন কৰে। অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বৈষ্ণৱ আৰু ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooo

চুবুৰীয়া ৰাজ্য নাগালেণ্ডে আজি ৬২ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰিছে। ১৯৬৩ চনৰ আজিৰ দিনটোতে নাগালেণ্ড ভাৰতৰ ১৬ সংখ্যক ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰিছিল। এই উপলক্ষে আজি ৰাজধানী কহিমাকে ধৰি ৰাজ্যখনত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে। কোহিমাৰ ৰাজ্যিক সচিবালয় প্লাজাত অনুষ্ঠিত মূল কাৰ্যসূচীত মুখ্যমন্ত্ৰী নেফিউ ৰিঅ'ই ৰাজ্যখনৰ বিগত ছয় দশকৰ উন্নয়নৰ অবিৰত যাত্ৰা সম্পৰ্কত আলোকপাত কৰিছে। নাগালেণ্ড চৰকাৰে ৰাজ্যখনৰ বিদ্যালয়সমূহৰ শিক্ষকৰ উপস্থিতি নিৰীক্ষণ ব্যৱস্থাৰ বাবে **স্মাইল** নামৰ এপটো আজি মুকলি কৰা হৈছে। ৰাজ্যখনৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন স্থানত বিশেষ সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, উপৰাষ্ট্ৰপতি জগদীপ ধনখড়, নাগালেণ্ডৰ ৰাজ্যপাল লা গণেশন, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু আন ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে প্ৰতিষ্ঠা দিৱস উপলক্ষে নাগালেণ্ডবাসীক শুভেচ্ছা জনাইছে।

ooo

কহিমাৰ সমীপৰ কিচামা গাওঁত বহু প্ৰতিক্ষিত হৰ্ণবিল মহোৎসৱ আজি আৰম্ভ হৈছে। ৰূপালী জয়ন্তী বৰ্ষত প্ৰৱেশ কৰা এই মহোৎসৱৰ সৈতে সংগতি ৰাখি আয়োজন কৰা বিভিন্ন নাগা ফৈদৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্য বহন কৰা নৃত্য-গীতেৰে উৎসৱস্থলী মুখৰ হৈ পৰিছে।

এইবাৰৰ এই হৰ্ণবিল উৎসৱত নাগালেণ্ড চৰকাৰৰ লগতে ৰেলছ, জাপান, পেৰু আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই সহযোগিতা আগবঢ়াইছে। ছিকিম আৰু তেলেংগানায়ো ১০ দিনীয়া এই মহোৎসৱত সহযোগিতা আগবঢ়াইছে। আজি সন্ধিয়া হ'বলগীয়া আনুষ্ঠানিক উদ্বোধনী অনুষ্ঠানত ৰেলছ, জাপান, পেৰু আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভাৰতস্থিত ৰাষ্ট্ৰদূতসকলক সম্বৰ্ধনা জনোৱা হ'ব। বিশিষ্ট সংগীত শিল্পী এ আৰ ৰহমানে এই উদ্বোধনী অনুষ্ঠানত গীত পৰিবেশন কৰিব বুলি আমাৰ কহিমাৰ সংবাদদাতাই জনাইছে।

০০০

যুৱ শক্তিৰ দক্ষতা বৃদ্ধি আৰু নিযুক্তিৰ সুযোগৰ সৈতে তেওঁলোকক পৰিচিত কৰোৱাৰ উদ্দেশ্যে অসম চৰকাৰৰ নিয়োগ আৰু কাৰিকৰী প্ৰশিক্ষণ সঞ্চালকালয়ৰ উদ্যোগত কালি তিনিচুকীয়াৰ চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত জিলাখনৰ বিভিন্ন উচ্চতৰ মাধ্যমিক বিদ্যালয়, মহাবিদ্যালয়, আই টি আই আদিৰ প্ৰায় ৩শৰো অধিক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত তিনিচুকীয়া জিলাৰ জিলা উন্নয়ন আয়ুক্ত পবিত্ৰ কুমাৰ দাস, ডিব্ৰুগড় মণ্ডলৰ নিয়োগ উপ সঞ্চালক মনোজ কাণু আৰু চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ ববী গোঁহায়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্যোগী হ'বলৈ পৰামৰ্শ দিয়াৰ লগতে আত্মনিৰ্ভৰশীল হোৱাৰ বাবে দক্ষতা বিকাশৰ সৈতে কেৰিয়াৰৰ লক্ষ্য স্থিৰ কৰাৰ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানটোত চাকৰি প্ৰত্যাশী উপযুক্ত কেৰিয়াৰ বাচনি বৃত্তিগত পৰিৱৰ্তন আৰু বৃত্তিৰ সাল-সলনিৰ ক্ষেত্ৰত মুখামুখি হোৱা সমস্যাৰ সমাধানৰ ওপৰতো আলোকপাত কৰা হয়।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগত অংশকালীন ব্ৰডকাষ্ট এছিছটেণ্ট নিয়োগৰ বাবে অহা ৫ ডিচেম্বৰ বৃহস্পতিবাৰে বাতৰি বিভাগৰ সঞ্চালকৰ কক্ষত এটা WALK-IN INTERVIEW অনুষ্ঠিত হ'ব। ২১ বছৰৰ পৰা ৪৫ বছৰ বয়সৰ স্নাতক প্ৰাৰ্থীয়ে এই সাক্ষাৎকাৰত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰাৰ্থীৰ কম্পিউটাৰ বিষয়ক সম্যক জ্ঞান, আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠান সম্পৰ্কীয় সাধাৰণ জ্ঞান থকাৰ লগতে কণ্ঠ বাণীবন্ধন আৰু সম্পাদনাৰ জ্ঞান থাকিব লাগিব। প্ৰাৰ্থী গুৱাহাটী মহানগৰীৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত বাস কৰা হ'ব লাগিব। SOCIAL MEDIA অৰ্থাৎ সামাজিক মাধ্যমত কাম কৰাৰ অভিজ্ঞতা থকা প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হ'ব। এই বিষয়ে বিশদ জানিবলৈ ইচ্ছুক প্ৰাৰ্থীসকলে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ৱেবছাইট www.newsonair.gov.in আৰু আকাশবাণীৰ জাননী ফলক চাব পাৰে।

০০০

সমাপ্ত